আলোচনা চক্র বিষয় : 'সাম্পতিক অসমীয়া সমাজৰ প্ৰসংগত বিষ্ণুপ্ৰসাদ ৰাভাৰ আদৰ্শ' এক চমু প্ৰতিবেদন :

তাৰিখ : ২০ জুন ২০২১ ইং চন ।

স্থান : অসমীয়া বিভাগৰ শ্ৰেণীকক্ষ ।

সময় : ১ বজা







আলোচনা চক্ৰৰ টোকা : আজি ২০ জুন , কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যু তিথি । তেওঁৰ মৃত্যু তিথি উপলক্ষ্যে আজি অসমীয়া বিভাগৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিৰ্ণায়ক কোষৰ সহযোগত "সাম্পতিক অসমীয়া সমাজৰ প্ৰসংগত বিষ্ণুপ্ৰসাদ ৰাভাৰ আদৰ্শ" বিষয়ক এখনি আলোচনা চক্ৰ অনুষ্ঠিত হৈ যায় । অলোচনা চক্ৰৰ আঁত ধৰে বিভাগীয় প্ৰধান নিতুমনি দাসে । এই আলোচনা চক্ৰত বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলে ভাগ লোৱাৰ উপৰিও বহু কেইগৰাকী ছাত্ৰ-ছাত্ৰীয়ে গৱেষণা পত্ৰ পাঠ কৰে ।

অসমৰ ইতিহাসত বিষ্ণুপ্ৰসাদ ৰাভা আছিল এক উজ্জ্বল নক্ষত্ৰ । এই উজ্জ্বল নক্ষত্ৰ গৰাকীৰ আদৰ্শ বিষয়ে বহল ব্যাখ্যা আগবঢ়ায় বিভাগৰ সহকাৰী অধ্যাপিকা মীনা কাকতিয়ে । তেওঁৰ আদৰ্শ আছিল অসমীয়া সমাজক শোষণ, নিষ্পেষণ,দাসত্বৰ পৰা মুক্তি দিয়া আৰু এই বিষয়ে আলোচনা চক্ৰত কাকতি বাইদেউৱে সুন্দৰ কৈ বিশ্লেষণ আগবঢ়ায় ।

আলোচনা চক্ৰৰ ফলাফল: আজি অসমীয়া বিভাগৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিৰ্ণায়ক কোষৰ সহযোগত অনুষ্ঠিত হোৱা আলোচনা চক্ৰ খন সুন্দৰ আৰু সুচাৰুৰূপে অন্ত পৰে । আলোচনা চক্ৰ খনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলে বিষ্ণুপ্ৰসাদ ৰাভাৰ বৈপ্লৱিক আদৰ্শৰ বিষয়ে অৱগত হয় । তেওঁৰ গীত আৰু কবিতাৰ মাজেৰে মানুহৰ প্ৰতি থকা ভালপোৱা আৰু সকলোৰে প্ৰতি তেওঁৰ মৰ্মবেদনা কেনেদৰে প্ৰকাশ পাইছে সেইবোৰে আলোচনা চক্ৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলে অৱগত হয় । শেষত শলাগৰ শৰাই আগবঢ়াই আলোচনা চক্ৰৰ সামৰণি মাৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা নৰ্মদা বসুমতাৰীয়ে ।

Salbari College, Salbari
Estd.1965
Baksa BTR, Assam

Principal
Salbari College, Salbari, Baksa